# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-01-2026
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

১। ডিব্ৰুগড়ত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্য্যসূচী।
২। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত তিনিজনৰ জামিন আবেদন নাকচ।
৩। বিধানসভা নিৰ্বাচনত বি টি চিৰ ১৫ টা সমষ্টিত বি পি এফে অকলে নিৰ্বাচন খেলিবলৈ সাজু। *আৰু*
৪। জি এন বি উৰণ সেঁতুৰ নিৰ্মাণ কাৰ্য্যৰ বাবে গুৱাহাটীত যান-বাহন চলাচলত নতুন নিৰ্দেশনা জাৰি।

ooooo

জন-গাঁথনিৰ দ্ৰুত পৰিৱৰ্তনত বাধা দিব নোৱাৰিলে অসম এদিন ভয়ংকৰ বিপদৰ সন্মুখীন হ'বলগীয়া হ'ব। অসমত তৃতীয়বাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিলে প্ৰতিজন অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱা হ'ব। ডিব্ৰুগড়ত আজি এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই মন্তব্য কৰিছে। গৃহ মন্ত্ৰীগৰাকীয়ে অসমত হোৱা জন-গাঁথনি পৰিৱৰ্তনত সকলোকে বাধা আৰোপ কৰিবলৈ আহ্বান জনাই কয়, যে ৰাজ্যৰ বিজেপি চৰকাৰে ইতিমধ্যে ১ লাখ ২৬ হাজাৰ হেক্টৰ ভূমি অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা মুক্ত কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক অনুপ্ৰেৰশকাৰীৰ দখলৰ পৰা মুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে সমৰ্থ হৈছে বুলি তেওঁ কয়। ৰাজ্যখনক উন্নয়নৰ দিশে আগুৱাই নিয়াৰ বাবে তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

-বাইট(অমিত শ্বাহ)-

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাত আজি এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। জিলাখনৰ খনিকৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীশ্বাহে ২৮৪ কোটি টকা ব্যয়সাপেক্ষে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ আৰু বিধায়কৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰে। এই চৌহদৰ ভিতৰত এটা তিনি মহলীয়া বিধানসভা ভৱন, ৯-মহলীয়া বিধায়কৰ আবাসগৃহ, ৮০০খন আসনযুক্ত প্ৰেক্ষাগৃহ আৰু নিৰাপত্তা বাহিনীৰ বাবে বেৰেক থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ২০৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰে। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ

৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব। ডিব্ৰুগড়ৰ কাৰ্য্যসূচীৰ সামৰণি মাৰি শ্ৰীশ্বাহে ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত গৃহ মন্ত্ৰীগৰাকীয়ে মিচিং সমাজক প্ৰণাম জনাই কয় যে এই মহোৎসৱত উপস্থিত থাকি তেওঁ অভিভূত হৈছে। তেওঁ কয় যে মিচিং সমাজৰ সকলো অভাৱ-অভিযোগ পূৰণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে ধেমাজিৰ কাৰ্য্যসূচী সামৰি গুৱাহাটীলৈ ৰাওনা হৈছে। সন্ধিয়াৰ ভাগত তেওঁ গুৱাহাটীত থকা ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন আজি কামৰূপ মহানগৰ জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে নাকচ কৰে। যোৱা ২২ জানুৱাৰীত এই তিনিওজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আদালতত শুনানী অনুষ্ঠিত হৈছিল। শুনানীৰ সময়ত জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰিছিল। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ বাবে আজিৰ দিনটো ধাৰ্য কৰে। অহা ১৬ ফেব্ৰুৱাৰীলৈ আদালতে শুনানী স্থগিত ৰাখে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনত বিটিচিৰ ১৫ টা সমষ্টিত বি পি এফে অকলে নিৰ্বাচন খেলিবলৈ সাজু হৈছে। বিটিচিৰ বাহিৰৰ ৫ৰ পৰা ৬ টা সমষ্টিতো বি পি এফে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ সম্ভাৱনা আছে। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী আসন বুজাবুজিৰ ক্ষেত্ৰত সিদ্ধান্ত লবৰ বাবে দলৰ ফালৰ পৰা সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। আজি অনুষ্ঠিত বি পি এফৰ এখন উচ্চ পৰ্যায়ৰ দলীয় বৈঠকত অংশগ্ৰহণ কৰি বিপিএফৰ নেতা দুৰ্গাদাস বড়োৱে এই কথা প্ৰকাশ কৰে।

বাইট ঃ দুৰ্গাদাস বড়ো

oooo

গুৱাহাটী মহানগৰৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তই জি এন বি ৰোড উৰণ সেঁতুৰ নিৰ্মাণ কাৰ্য চলি থকাৰ পৰিপ্ৰেক্ষিতত যান-বাহন চলাচলত কিছু নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি জি এন বি ৰোড উৰণ সেঁতু আৰু চানমাৰি উৰণ সেঁতুৰ সংযোগস্থল উন্নয়ন আৰু জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত আজিৰে পৰা নিৰ্মাণ কাৰ্য সমাপ্ত নোহোৱালৈকে চানমাৰি উৰণ সেঁতুৰে সকলো প্ৰকাৰৰ যান বাহনৰ চলাচলত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত যাত্ৰীসকলক এই পথ এৰাই চলি বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। জু-ৰোডৰ দিশৰ পৰা অহা যান-বাহনসমূহে অপূৰ্ব সিনহা পথ বা ৰাজগড় ৰোডেৰে আহ-যাহ কৰিব পাৰিব। ৰাজগড় ৰোডৰ পৰা দক্ষিণ শৰণীয়া পথ, জি এছ ৰোড. ড০ বি বৰুৱা ৰোড, জি এন বি ৰোড ব্যৱহাৰ কৰিব পাৰিব। চানমাৰিৰ দিশৰ পৰা অহা যানবাহনসমূহ এম আৰ ডি ৰোডেৰে বামুণীমৈদাম অভিমুখে যাব পাৰিব।

ooooo

মৰিগাওঁ জিলাৰ জাগীৰোড মহাবিদ্যালয়ত আজি ভূমিকম্পৰ সময়ত লবলগীয়া সাৱধানতা সন্দৰ্ভত এটা অনুশীলন কাৰ্যসূচী অনুষ্ঠিত হয়। পাটগাওঁস্থিত এন ডি আৰ এফৰ প্ৰথম বেটেলিয়নৰ উদ্যোগত আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আয়োজিত অনুশীলনত এন ডি আৰ এফৰ এটা ২৫ জনীয়া দলে অংশগ্ৰহণ কৰে।

ভূমিকম্পৰ সময়ত শ্ৰেণীকোঠাত আবদ্ধ হৈ পৰা ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে সুৰক্ষিতভাৱে স্থানান্তৰ কৰিব পৰা যায় তথা দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি লব লগা প্ৰস্তুতি তথা সংশ্লিষ্ট চৰকাৰী বিভাগসমূহৰ মাজত সমন্বয় বৃদ্ধি কৰাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলক সবিশেষ অৱগত কৰা হয়। এই অনুশীলনত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। এই অনুশীলনত অগ্নি নিৰ্বাপক বাহিনীৰ অংশগ্ৰহণ কৰি জুই নুমুৱাৰ কৌশল সন্দৰ্ভত সকলোকে অৱগত কৰে।

ooooo

কামৰূপ জিলা স্বাস্থ্য বিভাগ আৰু জিলা স্বাস্থ্য কুষ্ঠ ৰোগ বিভাগৰ উদ্যোগত আজি কামৰূপ জিলাৰ আমিনগাঁৱত ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিবাৰণী দিৱস পালন কৰা হয়। আমিনগাঁৱৰ বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে আয়োজিত সজাগতা সভাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অজিত দাস উপস্থিত থাকি কুষ্ঠৰোগৰ সন্দৰ্ভত জনসাধাৰণক সবিশেষ অৱগত কৰে।

বৰপেটা জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি জিলাৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ভূপেন কুমাৰ বৰাই জনসাধাৰণক কুষ্ঠৰোগৰ লক্ষণ আৰু ইয়াৰ চিকিৎসা সন্দৰ্ভত সবিশেষ অৱগত কৰে। আজিৰে পৰা ১৫ দিনীয়াকৈ জিলাখনত কুষ্ঠ ৰোগ প্ৰতিৰোধ অভিযান অব্যাহত থাকিব।

ooooo

সমাপ্ত